# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-01-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ আজি গুৱাহাটী-উত্তৰ লখিমপুৰৰ সংযোগী নতুন জন শতাব্দী এক্সপ্ৰেছৰ লগতে আন দুখন ৰেলৰ যাত্ৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ।

২। জাগীৰোডত স্থাপন কৰিবলগীয়া নাইলেট বিশ্ববিদ্যালয়ে ৰাজ্যৰ শিক্ষা জগতত নতুন দিগন্তৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰ আজি আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গিত।

৪। অসম আৰক্ষীৰ ২০২ টা উপ-পৰিদৰ্শক পদ আৰু অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ এটা সহকাৰী উপ-নিয়ন্ত্ৰক পদৰ বাবে পৰহিলৈ লিখিত পৰীক্ষা। ***আৰু***

৫। ছিডনীত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ নিৰ্ণায়ক খেলখনৰ প্ৰথম দিনটোতে ভাৰতৰ ১৮৫ ৰানত প্ৰথম ইনিংছৰ সামৰণি।

০০০০

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি গুৱাহাটীত ভাৰতীয় ৰে'লৱেই গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত চলাচল কৰোৱাৰ সিদ্ধান্ত লোৱা নতুন জন শতাব্দী এক্সপ্ৰেছ ৰে'লখনৰ যাত্ৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। ৰে'লমন্ত্ৰীগৰাকীয়ে আজি পতাকা জোকাৰি তিনিচুকীয়া-নাহৰলগুন এক্সপ্ৰেছ আৰু গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰে'ল দুখনৰ যাত্ৰাৰো শুভাৰম্ভ কৰে।

গুৱাহাটী ৰে'ল ষ্টেচনত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ২০২৪-২৫ বৰ্ষত উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল খণ্ডৰ বিকাশৰ বাবে ১০ হাজাৰ কোটি টকা আবণ্টন দিয়া হৈছে। উত্তৰ-পূৰ্বাঞ্চল এতিয়াৰে পৰা দেশৰ নতুন ইঞ্জিন বুলি উল্লেখ কৰি শ্ৰী বৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ বাবে **লুক ইষ্ট নীতিক এক্ট ইষ্ট নীতি**লৈ সলনি কৰিলে। উত্তৰ-পূব খণ্ডৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে বাজেটত এক লাখ ২৫ হাজাৰ কোটি টকাৰ আৱণ্টন দিয়া হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰিগৰাকীয়ে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, এই নতুন জন শতাব্দী এক্সপ্ৰেছ ৰে'লখনে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ ৰে'ল যোগাযোগ অধিক সুচল কৰি তুলিব। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা মতে, সপ্তাহত দুবাৰকৈ চলাচল কৰিবলগীয়া এই ৰে'লগাড়ীখনে পুৱা ৯ বাজি ৫০ মিনিটত গুৱাহাটীৰ পৰা যাত্ৰা আৰম্ভ কৰি বিয়লি ৪ বাজি ১৫ মিনিটত উত্তৰ লখিমপুৰ পাবগৈ আৰু বিয়লি ৫ বজাত উত্তৰ লখিমপুৰৰ পৰা যাত্ৰা কৰি নিশা ১১ বাজি ২৫ মিনিটত গুৱাহাটী পাবহি।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত কয়, যে জাগীৰোডত স্থাপন কৰিবলগীয়া ৰাষ্ট্ৰীয় বৈদ্যুতিন আৰু তথ্য-প্ৰযুক্তি প্ৰতিষ্ঠান অৰ্থাৎ নাইলেট বিশ্ববিদ্যালয়ে শৈক্ষিক পাঠ্যক্ৰম আৰু উদ্যোগৰ মাজত সামঞ্জস্য ৰক্ষাৰ

ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰিব। এই বিশ্ববিদ্যালয়খনে অঞ্চলটোৰ যুৱক-যুৱতীসকলক বৈদ্যুতিন, ছেমি কণ্ডাক্টৰ, কৃত্ৰিম বুদ্ধিমত্তা আদি বিভিন্ন ক্ষেত্ৰত কাম কৰাৰ বাবে সাজু কৰি তুলিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

*(বাইট ঃ অশ্বিনী বৈষ্ণৱ)*

অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত প্ৰযুক্তিগত বিপ্লৱে সহায় কৰিব। এই ক্ষেত্ৰত নাইলেট বিশ্ববিদ্যালয়ে ৰাজ্যৰ শিক্ষা জগতত নতুন দিগন্তৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। টাটা ইলেক্‌ট্ৰনিক্স আৰু ভাৰত চৰকাৰৰ সহযোগত ৩০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে জাগীৰোডত নিৰ্মাণ হৈ থকা ছেমিকণ্ডাক্টৰ প্ৰকল্পত চলিত বৰ্ষৰ শেষৰ ফালে **ছীপ** নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি প্ৰকাশ কৰি ড০ শৰ্মাই কয়, যে এই প্ৰকল্পই ৰাজ্যৰ অৰ্থনীতি উন্নীতকৰণত বিশেষ ভূমিকা পালন কৰিব।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱক অহা ২৫ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছাম সন্মিলনলৈ আমন্ত্ৰণ জনায়।

আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, আকাশবাণীৰ সঞ্চালক প্ৰধান প্ৰজ্ঞা পালিৱাল গৌড়ৰ লগতে কেইবাগৰাকীও মন্ত্ৰী আৰু সাংসদ উপস্থিত থাকে।

০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে গুৱাহাটীত আয়োজিত এই অনুষ্ঠানতে ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গা কৰে। আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰই বি টি আৰৰ জনসাধাৰণৰ দীৰ্ঘ দিনীয়া সপোন পূৰণ কৰিলে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ১৯৯৯ চনৰ ১৫ আগষ্টৰ পৰা জনসাধাৰণৰ সুবিধাৰ্থে সেৱা আগবঢ়াই অহা এই কেন্দ্ৰৰ নতুন এফ এম ট্ৰান্সমিটাৰে ৭০ কিলোমিটাৰ ব্যাসাৰ্ধ সামৰি ল'ব। ইয়াৰ ফলত কোকৰাঝাৰ আৰু ইয়াৰ কাষৰীয়া ধুবুৰী, বঙাইগাঁও আৰু চিৰাং জিলাৰ শ্ৰোতাসকলে আজিৰ পৰা এফ এম বেণ্ডৰ ১০২ মেগাহাৰ্টজত আকাশবাণী কোকৰাঝাৰৰ অনুষ্ঠানসমূহ শুনিব পাৰিব। গুৱাহাটীত আয়োজিত অনুষ্ঠানৰ সমান্তৰালভাৱে কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে অংশগ্ৰহণ কৰে। আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ এই নতুন সংযোজনৰ বিষয়ত আনন্দ প্ৰকাশ কৰি মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে এনেদৰে কয় ঃ

*(বাইট ঃ প্ৰমোদ বড়ো)*

অনুষ্ঠানত কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰী, ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰী আৰু কোকৰাঝাৰৰ ভালেকেইগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

কেন্দ্ৰীয় ৰে'ল তথা বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি গুৱাহাটীৰ সমীপৰ তেতেলীয়াৰ ৰে'লপথৰ ওপৰত নিৰ্মাণ কৰা এখন পথ উৰণসেতুও আজি উদ্বোধন কৰে। ইয়াৰ পাছত তেওঁ মৰিগাঁও জিলাৰ

জাগীৰোডত নিৰ্মাণৰত টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ কামকাজ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত তেওঁ এই দৰে কয়—

**(বাইট ঃ অশ্বিনী বৈষ্ণৱ)**

০০০০

অসম আৰক্ষীৰ ২০২ টা উপ-পৰিদৰ্শক পদ আৰু অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ এটা সহকাৰী উপ-নিয়ন্ত্ৰক পদৰ বাবে পৰহিলৈ লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। ২০২ টা উপ-পৰিদৰ্শকৰ পদৰ ভিতৰত ১৪৪টা ইউ বি, ৫১টা এ বি, ৭টা কমিউনিকেচন আৰু এটা অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সহকাৰী উপ-নিয়ন্ত্ৰক পদ অন্তৰ্ভুক্ত আছে। পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। শোণিতপুৰ জিলাৰ বিভিন্ন কেন্দ্ৰত অনুষ্ঠিত হ'বলগীয়া লিখিত পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দণ্ডাধীশ অংকুৰ ভড়ালীয়ে এটা নিৰ্দেশ জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষাকেন্দ্ৰৰ পৰা এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত এডমিট কাৰ্ড থকা প্ৰাৰ্থী, পৰীক্ষাৰ লগতে জড়িত কৰ্মচাৰী, আইন শৃংখলা বাহিনী আৰু চৰকাৰৰ আন অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত ব্যক্তিৰ বাহিৰে আন ব্যক্তিৰ উপস্থিতি নিষিদ্ধ কৰা হৈছে। ইয়াৰ উপৰিও পৰীক্ষা কেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত বাহনৰ চলাচল আৰু পাৰ্কিং নিষিদ্ধ কৰাৰ লগতে পৰীক্ষাৰ্থীসকলক পৰীক্ষা কেন্দ্ৰৰ ভিতৰলৈ মোবাইল ফোন, কেলকুলেটৰ, স্মাৰ্টৱাছ, ব্লুটুথ ডিভাইছ আদি নিয়াৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছে। এই নিৰ্দেশ পুৱা ৬ বজাৰ পৰা বলবৎ হৈ পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত অব্যাহত থাকিব। নিৰ্দেশ অমান্য কৰাা ব্যক্তিৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। লিখিত পৰীক্ষাত অৱতীৰ্ণ হ'বলগা প্ৰাৰ্থীসকলে এডমিট কাৰ্ডৰ লগতে আধাৰ কাৰ্ড, পান কাৰ্ড, চালকৰ অনুজ্ঞাপত্ৰ, ভোটাৰ কাৰ্ডকে ধৰি যিকোনো এখন চৰকাৰী ফটোযুক্ত পৰিচয়পত্ৰ পৰীক্ষা কেন্দ্ৰত দেখুৱাব লাগিব।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰা জিলাৰ দুধনৈৰ উদয়পুৰত ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ সচিবালয় ভৱন উদ্বোধন কৰে। ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ প্ৰশাসনিক প্ৰয়োজনীয়তা আৰু সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এই ভৱনটো নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে পৰিষদৰ এটা সংগ্ৰহালয় আৰু ৰাভা ৰজা বীৰ পৰশুৰামৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। জনজাতীয় সমাজৰ উন্নয়নৰ বাবে উৎসৰ্গিত ৰাজ্য চৰকাৰে এই কাৰ্যসূচীসমূহৰ জৰিয়তে ৰাভা সমাজৰ ঐতিহ্য আৰু পৰিচয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। এই অনুষ্ঠানত জনজাতি পৰিক্ৰমা মন্ত্ৰী ড০ ৰণোজ পেগু, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল আৰু ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা উপস্থিত থাকে।

০০০০

দৰং জিলাৰ দলগাওঁ আৰক্ষীয়ে বটাবাৰী পানিডোং অঞ্চলৰ ভঙা চিঙা সামগ্ৰীৰ এটা গুডামৰ পৰা অভিযান চলাই অসম শক্তি বিতৰণ কোম্পানীৰ বুলি সন্দেহ কৰা বৃহৎ পৰিমাণৰ বিদ্যুৎ পৰিবাহী তাঁৰ জব্দ কৰে। খাৰুপেটিয়া বিদ্যুৎ উপ সংমণ্ডলৰ বিষয়াৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই এই সামগ্ৰীখিনি জব্দ কৰে। ইতিমধ্যে আৰক্ষীয়ে এই সন্দৰ্ভত সবিশেষ তদন্ত অব্যাহত ৰাখিছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত চলি থকা **কলাক্ষেত্ৰ ৰামধেনু উৎসৱ**ৰ আজি দ্বিতীয় দিনা পুতলা নাচ আৰু সত্ৰীয়া বৈভৱ শীৰ্ষক বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ শিল্পী পেঞ্চন লাভ কৰা বিশিষ্ট পুতলা নাট শিল্পী অবনী শৰ্মাই পৰিচালনা কৰা **অভিশপ্ত অজগৰ** নাটখনে দৰ্শকক আপ্লুট কৰে। একেদৰে মাজুলীৰ উত্তৰ কমলাবাৰীসত্ৰৰ শিল্পীসকলে গুৰুজনাৰ অমৰ সৃষ্টি গায়ন-বায়ন আৰু কেলিগোপাল নাটৰ খণ্ড দৃশ্যৰ লগতে বৰগীত, দশৱতাৰ নৃত্য, সত্ৰীয়া ওজাপালি আদি পৰিৱেশন কৰে।

০০০০

ৰাজ্য চৰকাৰে প্ৰতিবছৰে ১৩ মে'ত অন্ধ বিশ্বাস বিৰোধী দিৱস পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ডাইনী হত্যাৰ দৰে সামাজিক ব্যাধিৰ বিৰুদ্ধে যুঁজ দিয়া পদ্মশ্ৰী সন্মানেৰে বিভূষিত বীৰুবালা ৰাভাৰ মৃত্যুৰ দিনটো এনেদৰে পালন কৰিবলৈ ৰাজ্যপালৰ অনুমোদন সাপেক্ষে মহিলা আৰু শিশু বিকাশ বিভাগে অধিসূচনা জাৰি কৰিছে। অধিসূচনাখনত উল্লেখ কৰা মতে সমাজৰ বাবে ক্ষতিকাৰক অন্ধ বিশ্বাসৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ৰাজ্যখনৰ ২১৯ টা খণ্ডত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰই এই দিৱসত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিব।

০০০০

বিশিষ্ট সাহিত্যিক, অনুবাদক বন্দিতা ফুকনৰ সৰ্বগুণাকৰ শীৰ্ষক অনুবাদ গ্ৰন্থখন আজি গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত অসম গ্ৰন্থমেলাত উন্মোচন কৰা হয়। আউনী আটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পিতাম্বৰ দেৱগোস্বামীয়ে উন্মোচন কৰা এই গ্ৰন্থখন অৰূপ কুমাৰ দত্তৰ ছেইণ্ট ছেভিয়'ৰ ছ'ল ছ'চাইটি শীৰ্ষক মূল গ্ৰন্থখনৰ পৰা অনুবাদ কৰা হৈছে। অনুষ্ঠানত বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড০ সমুদ্ৰগুপ্ত কাশ্যপ, বিশিষ্ট লেখক অনুৰাধা শৰ্মা পূজাৰীকে ধৰি ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োৱে আজি বাক্সা জিলাৰ শালবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু শালবাৰী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চাইকেল বিতৰণ কৰে। ৰাজ্য চৰকাৰে বিটিআৰ প্ৰশাসনৰ সহযোগত বিতৰণ কৰা চাইকেলৰ ফলত ছাত্ৰ-ছাত্ৰীসকল উপকৃত হৈছে বুলি তেওঁ অৱগত কৰে। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ উত্তৰণৰ বাবে কেইবাটাও অভিলাসী আঁচনি গ্ৰহণ কৰাৰ কথা তেওঁ প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত শালবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২০২ গৰাকী ছাত্ৰ-ছাত্ৰীক চাইকেল বিতৰণ কৰা হয়। আজিৰ অনুষ্ঠানত টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীৰ লগতে কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

০০০০

ৰাজ্যৰ সৰ্ববৃহৎ ক্ৰীড়া সমাৰোহ খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ৰঙিয়া বিধানসভা পৰ্যায়ৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ৰঙিয়াৰ বিধায়ক তথা ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই আজি এই ক্ৰীড়া প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে মুকলি কৰে। ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ আৰু ৰঙিয়া মহাবিদ্যালয় খেলপথাৰত প্ৰতিযোগিতাৰ বিভিন্ন শিতানৰ খেলসমূহ অনুষ্ঠিত হৈছে।

০০০০

ছিডনীত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ আজি আৰম্ভ হোৱা নিৰ্ণায়ক খেলখনৰ প্ৰথম দিনটোত ভাৰতে ১৮৫ ৰানতে প্ৰথম ইনিংছ সামৰে। এই শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত অষ্ট্ৰেলিয়াৰ হৈ স্কট বলেন্দে ৪টা উইকেট দখল কৰি ভাৰতক বিপৰ্যয়ৰ মুখলৈ ঠেলি দিয়ে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ২২ আৰু জাদেজাই ২৬ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছৰ আজি প্ৰথম দিনৰ সামৰণিত এটা উইকেটৰ বিনিময়ত ৯ ৰান সংগ্ৰহ কৰে।

উল্লেখযোগ্য যে চলিত শৃংখলাত ভাৰত সম্প্ৰতি ২-১ ফলাফলত পিছ পৰি আছে। ভাৰতে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰাৰ আশা সজীৱ কৰি ৰাখিবলৈ হ'লে এই খেলখনত জয়লাভ কৰিবই লাগিব।

০০০০

সমাপ্ত